**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-11-2024 **Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। ফেব্ৰুৱাৰীত হ'বলগীয়া অসম বিধানসভা অধিবেশনৰ এটা দিনৰ কাৰ্যক্ৰমণিকা কোকৰাঝাৰত অনুষ্ঠিত কৰিবলৈ ৰাজ্য চৰকাৰৰ সিদ্ধান্ত।

২। গুৱাহাটী ৰে'ল ষ্টেচনক ভাৰতৰত্ন, সুধাকণ্ঠ ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান।

৩। আজিৰেপৰা সংসদৰ শীতকালীন অধিবেশন।

৪। ১৩ৰ পৰা ১৯ জানুৱাৰীলৈ ভাৰতত প্ৰথমবাৰৰ বাবে বিশ্বকাপ খো খো প্ৰতিযোগিতা।

*আৰু*

৫। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ৫ খনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন খেলত ভাৰত জয়ৰ দুৱাৰদলিত উপনীত। দ্বিতীয় ইনিংছত এতিয়ালৈ অষ্ট্ৰেলিয়াৰ ৪ উইকেটৰ বিনিময়ত ৪৫ ৰান সংগ্ৰহ।

০০০০০০০

অহা ফেব্ৰুৱাৰীত হ'বলগীয়া অসম বিধানসভাৰ অধিবেশনৰ এটা দিনৰ কাৰ্যক্ৰমণিকা কোকৰাঝাৰত অনুষ্ঠিত কৰাৰ বিষয়ে ৰাজ্য চৰকাৰে চিন্তা চৰ্চা কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি দিছপুৰত এখন সংবাদ মেল সম্বোধন কৰি কয়, যে ৰাজ্যপালৰ অভিভাষণ বা বিত্তীয় মন্ত্ৰীৰ বাজেট ভাষণ কোকৰাঝাৰত অনুষ্ঠিত কৰা হ'ব। বি টি আৰ কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰি এই সন্দৰ্ভত সিদ্ধান্ত লোৱা হ'ব বুলি উল্লেখ কৰি তেওঁ কয়, যে জিলাখনত বিধানসভা অধিবেশনৰ এদিনীয়া কাৰ্যসূচী অনুষ্ঠিত কৰিব পাৰিলে বিধানসভাৰ অধ্যক্ষৰ লগতে বি টি আৰ বাসীৰ বহুদিনীয়া আশা পূৰণ হ'ব।

**-বাইট**

ইফালে, কালি সংবাদ মেলত মুখ্যমন্ত্ৰীয়ে অহা ১৩ ফেব্ৰুৱাৰীৰ ভিতৰত ৰাজ্যত পঞ্চায়ত নিৰ্বাচন সম্পন্ন কৰা হ'ব বুলি প্ৰকাশ কৰে। ইয়াৰপূৰ্বে সংবাদ মাধ্যমৰ আগত তেওঁ ডিচেম্বৰত ভোটাৰ তালিকা আৰু জানুৱাৰীৰ প্ৰথম সপ্তাহত পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব বুলি সদৰি কৰিছিল। উল্লেখযোগ্য যে ৰাজ্যত বিগত বৰ্ষত পঞ্চায়তৰ কাৰ্যকাল উকলি গৈছে। নিৰ্বাচন আয়োগৰ তথ্য মতে পঞ্চায়তৰ নতুনকৈ নিৰ্ধাৰণ কৰা সীমা অনুসৰি গাঁও পঞ্চায়ত ২হেজাৰ ১৯৩ খনলৈ, আঞ্চলিক পঞ্চায়ত ১৮১খনলৈ আৰু জিলা পৰিষদৰ সদস্যৰ সংখ্যা ৩৯৭লৈ হ্ৰাস পাইছে।

০০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰমুখ গুৱাহাটী ৰে’ল ষ্টেচনক ভাৰতৰত্ন, সুধাকণ্ঠ ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থাই কালি সন্ধিয়া আকাশবাণী গুৱাহাটীৰ সংবাদ চলন্তিকাত দিয়া এটা বক্তব্যত ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই এই কথা সদৰি কৰে। ডঃ ভট্টাচাৰ্যই লগতে কয়, যে ভূপেন হাজৰিকাৰ নাম-যশ অধিক প্ৰসাৰিত কৰাৰ বাবে গুৱাহাটীৰ পৰা চলাচল কৰা এখন দূৰণিবতীয়া ৰে’লগাড়ী সুধাকণ্ঠ ভূপেন হাজৰিকা এক্সপ্ৰেছ নামেৰে নামকৰণ কৰিবলৈকো ছাত্ৰ সন্থাই প্ৰস্তাৱ আগবঢ়াইছে।

-বাইট-

যোৱানিশা ৭ বাজি ৪৫ মিনিটত প্ৰচাৰিত এই অনুষ্ঠানত বিভিন্ন শ্ৰেণীৰ ব্যক্তি আৰু সংগঠনে অসমত ৰে’ল সেৱাৰ মান এতিয়াও উন্নত হ’বলৈ বাকী আৰু যাত্ৰীৰ চাহিদা পূৰণ কৰিব পৰা নাই বুলি প্ৰকাশ কৰে। সচেতন ৰাইজ আৰু ৰে’ল যাত্ৰীয়ে ডিব্ৰুগড়ত টাউন ৰে’ল ষ্টেচন বিলুপ্ত কৰা প্ৰস্তাৱৰ বিৰোধিতা কৰে আৰু এই সিদ্ধান্ত পুনৰ বিবেচনা কৰিবলৈ দাবী জনায়। তদুপৰি কোভিড কালত চলাচল বন্ধ কৰা ৰে’লসমূহ শীঘ্ৰেই বাহাল কৰিবলৈও সচেতন ৰাইজ আৰু সংগঠনসমূহে অনুষ্ঠানটোত দাবী উত্থাপন কৰে।

০০০০০০০

সংসদৰ শীতকালীন অধিবেশন আজি আৰম্ভ হ’ব। ২৬ দিন ধৰি চলিবলগীয়া এই অধিবেশনত ১৯খন বৈঠক অনুষ্ঠিত হ’ব। অৱশ্যে সংবিধান দিৱসৰ সৈতে সংগতি ৰাখি কাইলৈ সংসদৰ কাম-কাজ বন্ধ থাকিব। ১৯৪৯ চনৰ ২৬ নৱেম্বৰত ভাৰতীয় সংবিধান গ্ৰহণ কৰা কেন্দ্ৰীয় প্ৰেক্ষাগৃহতে সংবিধান দিৱসৰ মূল অনুষ্ঠান অনুষ্ঠিত হ’ব। এই শীতকালীন অধিৱেশন ২০ ডিচেম্বৰত অন্ত পৰিব। অধিবেশনত ভাৰতীয় বায়ুযান বিধেয়ক-২০২৪, দুৰ্যোগ ব্যৱস্থাপনা সংশোধনী বিধেয়ক-২০২৪, ৰে’লৱে সংশোধনী বিধেয়ক, ৱাকফ সংশোধনী বিধেয়ক আৰু ভাৰতীয় বন্দৰ বিধেয়ক-২০২৪ কে ধৰি মুঠ ১৬খন বিধেয়ক উত্থাপন কৰা হ’ব। অধিৱেশনত ৱায়ানাড সমষ্টিৰ নৱ-নিৰ্বাচিত সাংসদ প্ৰিয়ংকা গান্ধী আৰু নান্দেৰৰ পৰা নতুনকৈ জয় লাভ কৰা ৰবীন্দ্ৰ চাৱনকে ধৰি অন্যান্য বিধায়কসকলে অংশগ্ৰহণ কৰিব। দুয়োখন সদনৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াটো সুনিশ্চিত কৰাৰ বাবে কালি নতুন দিল্লীত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে আজি আৰম্ভ হ’বলগীয়া সংসদৰ শীতকালীন অধিৱেশনত যিকোনো বিষয় আলোচনা কৰিবলৈ চৰকাৰ সাজু বুলি মন্তব্য প্ৰকাশ কৰিছে। বৈঠকৰ পাছত সংবাদমাধ্যমৰ সৈতে মত বিনিময় কৰি শ্ৰী ৰিজিজুৱে অধিৱেশনৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে অব্যাহত থকাটো সুনিশ্চিত কৰিবলৈ বিৰোধী দলসমূহলৈ আহ্বান জনায়। শ্ৰীৰিজিজুৱে কয়, যে বৈঠকত ৩০ টা ৰাজনৈতিক দলৰ ৪২গৰাকী নেতাই অংশগ্ৰহণ কৰে আৰু প্ৰত্যেকেই নিজৰ নিজৰ  পৰামৰ্শসমূহ আগবঢ়ায়। চৰকাৰে দুয়োখন সদনতে সঠিক আৰু শান্তিপূৰ্ণ আলোচনা হোৱাটো বিচাৰে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ত ২৫ হাজাৰৰো অধিক যুৱ উদ্যমীলৈ ৫ হাজাৰ ১০০ কোটি টকাৰ আৰ্থিক অনুদানৰ প্ৰথম কিস্তি মুকলি কৰাৰ পাছত এইবাৰ বাকী থকা ৫ খন জিলাত এই অভিযানৰ দ্বিতীয় পৰ্যায় আৰম্ভ হ’ব। এই জিলাকেইখন হৈছে – নগাঁও, বঙাইগাঁও, চিৰাং, বিশ্বনাথ আৰু

কাছাৰ জিলা। নিৰ্বাচিত উদ্যোগীসকললৈ ২ লাখৰ পৰা ৫ লাখ টকা পৰ্যন্ত আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। আগ্ৰহী যুৱক-যুৱতীসকলে cmaaa.assam.gov.in ত প্ৰথমে নিজৰ নাম পঞ্জীয়ন কৰি পৰৱৰ্তী সময়ত তেওঁলোকৰ প্ৰকল্পৰ প্ৰতিবেদন জমা দিব লাগিব। পঞ্জীয়নৰ প্ৰ-পত্ৰত উল্লেখ কৰা নাম প্ৰাৰ্থীৰ পৰিচয় পত্ৰ, বেংকৰ পাছবুক আদিৰ সৈতে একেই হোৱাটো বাঞ্চনীয়। আজিৰেপৰা এই পঞ্জীয়ন প্ৰক্ৰিয়া মুকলি কৰা হৈছে আৰু ৯ ডিচেম্বৰত পঞ্জীয়নৰ অন্ত পৰিব। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ জৰিয়তে ৰাজ্যত নিবনুৱা সমস্যা হ্ৰাস কৰাৰ লগতে ঔদ্যোগিকৰণৰ পৰিৱেশ সৃষ্টি কৰাৰ প্ৰয়াস কৰা হৈছে। এই আঁচনিৰ দ্বাৰা নৱ-প্ৰজন্মক আত্ম-নিৰ্ভৰশীল হ'ব পৰাকৈ আৰ্থিক অনুদান, প্ৰশিক্ষণ আৰু বিপণনৰ সুবিধা প্ৰদান কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে লিংগভিত্তিক হিংসা নিৰ্মূল কৰাৰ ক্ষেত্ৰত প্ৰচেষ্টা গ্ৰহণৰ অংশ হিচাপে আজি নতুন দিল্লীত 'অব্ কোই বাহানা নহী' শীৰ্ষক ৰাষ্ট্ৰীয় অভিযান মুকলি কৰিব। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয় আৰু গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ যৌথ উদ্যোগত তথা ৰাষ্ট্ৰ সংঘৰ মহিলা কোষৰ সহযোগত এই প্ৰচেষ্টা চলোৱা হৈছে। উল্লেখযোগ্য যে প্ৰতিবছৰে আজিৰ দিনটো মহিলাৰ বিৰুদ্ধে হিংসা নাশ কৰাৰ আন্তঃৰাষ্ট্ৰীয় দিৱস হিচাপে সমগ্ৰ বিশ্বজুৰি পালন কৰা হয়।

ইফালে, ৰাজ্য চৰকাৰৰ মহিলা আৰু শিশু বিকাশ বিভাগে আজিৰেপৰা ১০ ডিচেম্বৰলৈ লিংগভিত্তিক হিংসা নিৰ্মূল সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। ১৬ দিনীয়া এই অভিযানৰ সৈতে সংগতি ৰাখি ৰাজ্যিক জিলা আৰু খণ্ড পৰ্যায়ত লিংগভিত্তিক হিংসাৰ বিৰুদ্ধে ডিজিটেল আৰু সামাজিক মাধ্যমৰ জৰিয়তে ব্যাপক হাৰত সজাগতা অভিযান চলোৱাৰ লগতে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, মহিলা সুৰক্ষা বিষয়ক আইন সন্দৰ্ভত সজাগতাৰ বাবে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত কৰ্মশালা, আলোচনাচক্ৰ আদিৰ আয়োজন কৰা হৈছে। মহিলাৰ অধিকাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰত থকা অন্যান্য বিভাগীয় সহযোগী সেৱাসমূহ জনপ্ৰিয় কৰি তোলাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা হৈছে। তদুপৰি এই অভিযানৰ অধীনত মহিলা আৰু শিশু সুৰক্ষাৰ ক্ষেত্ৰত থকা ১৮১, ১০৯৮ আৰু ১১২ ৰ দৰে জৰুৰীকালীন সেৱাসমূহ ব্যাপক হাৰত প্ৰচাৰ কৰা হ'ব। আমাৰ এই মাত্ৰ প্ৰচাৰিত বাতৰিটোত

০০০০০০০

গোৱাত চলি থকা ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ আজি ষষ্ঠ দিন। মহোৎসৱত কালি ৰাজেশ ভূঞাই পৰিচালনা কৰা স্বৰ্গৰথ ছবিখন প্ৰৰ্দশিত হয়। ভাৰতীয় পেনোৰামালৈ নিৰ্বাচিত ছবিখনে দেশ-বিদেশৰ বহু দৰ্শকৰ বিপুল সমাদৰ লাভ কৰে। উল্লেখযোগ্য যে এই চলচ্চিত্ৰ মহোৎসৱৰ মূল শাখাত এইবাৰ মুঠ ২৭০খন ছবি প্ৰদৰ্শন কৰিবলৈ লোৱা হৈছে। বিভিন্ন শিতানত এইবাৰ প্ৰায় ৪০০ খন ছবি প্ৰদৰ্শিত হ'ব। ইয়াৰ ভিতৰত বিশ্বৰ ৮১খন দেশক প্ৰতিনিধিত্ব কৰা ১৮০খন বিদেশী ছবি আছে। এইবাৰৰ মহোৎসৱত অষ্ট্ৰেলিয়াক মূল দেশৰূপে স্বীকৃতি দিয়া হৈছে আৰু অষ্ট্ৰেলিয়াৰ ছবি নিৰ্মাতা মাৰ্কেল গ্ৰেচিৰ ছবি দ্যা বেটাৰমেনৰ প্ৰদৰ্শনৰে এইবাৰৰ মহোৎসৱৰ শুভাৰম্ভ কৰা হয়।

গোৱাত উপস্থিত থকা বিশিষ্ট চলচ্চিত্ৰ সমালোচকে নয়ন প্ৰসাদে খন্তেক সময়ৰ আগতে আমালৈ এই প্ৰতিবেদন পঠিয়াইছে।

**-ভইচ-**

ধন্যবাদ নয়ন প্ৰসাদ। চলচ্চিত্ৰ মহোৎসৱৰ পৰৱৰ্তী দিন কেইটাৰ বা-বাতৰি আপোনাৰ পৰা লৈ থাকিম।ড়

০০০০০০০

অহা বছৰৰ আৰম্ভণিতে দেশত প্ৰথমবাৰৰ বাবে বিশ্বকাপ খো খো প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৩ৰপৰা ১৯ জানুৱাৰীলৈ নতুন দিল্লীৰ আই জি আই ষ্টেডিয়ামত হ'বলগীয়া প্ৰতিযোগিতাখনৰ সফল আয়োজনৰ বাবে ভাৰতীয় অলিম্পিক সন্থাই ভাৰতীয় খো খো ফেডাৰেচনক সহযোগিতা কৰাৰ প্ৰতিশ্ৰুতিৰে অংশীদাৰিত্বৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে। উল্লেখযোগ্য যে, এই প্ৰতিযোগিতাত ৬খন মহাদেশৰ ২৪খন দেশৰ পুৰুষ আৰু মহিলা দলে অংশ গ্ৰহণ কৰিব। আয়োজক ভাৰত, বাংলাদেশ, পাকিস্তান, শ্ৰীলংকাকে ধৰি এছিয়া দলসমূহে আফ্ৰিকা, ইউৰোপ, উত্তৰ আমেৰিকা, দক্ষিণ আমেৰিকা আৰু ওচেনিয়াৰ দলৰ মুখামুখি হ'ব।

০০০০০০০

ৰাজ্যৰ দুগৰাকী প্ৰতিভাৱান খেলুৱৈ নয়নমণি শইকীয়া আৰু পুতুল সোণোৱালে আজিৰেপৰা নিউজিলেণ্ডৰ অ'কলেণ্ডত হ'বলগীয়া বিশ্ব ব'লছ চেম্পিয়নছ অৱ চেম্পিয়নছ প্ৰতিযোগিতাত দেশক প্ৰতিনিধিত্ব কৰিব। এই প্ৰতিযোগিতাত কেৱল ৰাষ্ট্ৰীয় চেম্পিয়নসকলকহে নিজ নিজ দেশক প্ৰতিনিধিত্ব কৰাৰ অনুমতি প্ৰদান কৰা হৈছে। ৰাজ্যৰ ল'নবল সংস্থাৰ সভাপতি দূৰ্গা দাস বড়ো আৰু সম্পাদক নৱ বসুমতাৰীয়ে খেলুৱৈ দুগৰাকীক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০

অষ্ট্ৰেলিয়াৰ পাৰ্থত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ প্ৰথমখন টেষ্টৰ দ্বিতীয় ইনিংছত আমালৈ বাতৰি অহাৰ পৰলৈকে অষ্ট্ৰেলিয়াই ৪ টা উইকেটৰ বিনিময়ত ৪৫ ৰান কৰি খেলি আছে। সম্প্ৰতি দলটোক জয়ৰ বাবে ৪৮৮ ৰানৰ প্ৰয়োজন। অষ্ট্ৰেলিয়াই যোৱানিশা তিনিটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১২ ৰানৰ পৰা আজি দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিছে। ইয়াৰ পূৰ্বে কালি তৃতীয় দিনা ভাৰতে অতি কম সময়তে অষ্ট্ৰেলিয়াৰ বেটিং লাইন বিধবস্ত কৰে।

০০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকত সমূহে ভিন ভিন বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অহা ২৪,২৫ ফেব্ৰুৱাৰীত Advantage Assam ৰ দ্বিতীয় সন্মিলন অনুষ্ঠিত হব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদমেলত প্ৰকাশ কৰা বাতৰিটো প্ৰায় কেইখন কাকতেই প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। মহাৰাষ্ট্ৰৰ নান্দেদ লোকসভা সমষ্টিৰ উপ নিৰ্বাচনৰ পুনৰ ভোট গণনাত কংগ্ৰেছ প্ৰাৰ্থী ৰবীন্দ্ৰ চাৱনে বিজয়ী হবলৈ সক্ষম হয়। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ সাম্প্ৰতিক পৰিস্থিতিয়ে ভাৰতত উগ্ৰপন্থী জনিত সমস্যা বৃদ্ধি কৰিব বুলি The Assam Tribune কাকতে প্ৰথম পৃষ্ঠাত এটা বাতৰি পৰিৱেশন কৰিছে। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১১৬ সংখ্যক মন কী বাত কাৰ্য্যসূচীত স্বচ্ছতা অভিযানত আন্তৰিকতাৰে অংশ গ্ৰহণ কৰা অসমৰ ইতিশা নামৰ মহিলা গৰাকীৰ কথা উল্লেখ কৰাৰ বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিগত ১০ মাহত ধুবুৰী জিলাত ৩০০ ৰো অধিক লোক HIV ত আক্ৰান্ত হৈছে। ইয়াৰ ফলত স্বাস্থ্য বিভাগে জিলাখনক ৰেড জন হিচাপে ঘোষণা কৰিছে। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম

পৃষ্ঠাত স্থান দিছে। গুৱাহাটীৰ ৰাধা গোৱিন্দ বৰুৱা পথৰ শ্ৰদ্ধাঞ্জলি উৰণ সেতুৰ তলৰ পাৰ্কিং স্থান একাংশ কোম্পানী আৰু প্ৰতিষ্ঠানে দখল কৰা বুলি দৈনিক অগ্ৰদূত কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যৰ প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান , কৰুণাধাৰাৰ প্ৰতিষ্ঠাপক সভাপতি নিশিনাথ চাংকাকতিৰ বিয়োগৰ বাতৰিটো আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসম বিধানসভাত বিজেপি একক সংখ্যাগৰিষ্ঠ দললৈ ৰূপান্তৰিত হল বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উদ্ধৃতিৰে নিয়মীয়া বাৰ্তা কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মহাবিদ্যালয় সমূহত নতুন নিযুক্তিৰ বাবে প্ৰকাশিত খচৰা অনুসৰি নতুনকৈ নিযুক্তি পাবলগীয়া সহকাৰী অধ্যাপক, গ্ৰন্থগাৰিক আৰু অন্যান্য কৰ্মচাৰীৰ বাবে ২ বছৰৰ probation বাধ্যতামূলক কৰা হৈছে। এই বাতৰিটো The Sentinel কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ২০২৬ ৰ নিৰ্বাচনত বিজেপিয়ে পাঁচ সংখ্যালঘু প্ৰধান সমষ্টিত চকু দিব বুলি মুখ্যমন্ত্ৰীৰ উদ্ধৃতিৰে দৈনিক অসম, দৈনিক জনমভূমি কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে
অসমৰ ৮.৪৩ লাখ ভুৱা কৃষকে ঘূৰাই দিয়া নাই ৫৬০ কোটি টকাৰ , দলবিৰুধি কাৰ্যকলাপৰ বাবে বিধায়ক জাকিৰ হুছেইন লস্কৰক ইউডিএফৰ নিলম্বন , নগাঁওৰ গড়াজন ত সংঘটিত হত্যাকাণ্ডৰ বাবে SIT গঠন লোহিতৰ প্ৰচণ্ড সোঁতত উটি গল ৰেলৱেৰ শীৰ্ষ বিষয়া , ৰাজ্যৰ উপ নিৰ্বাচনত চামগুৰিত ৯ জনকে ধৰি ২৪ জন প্ৰাৰ্থীৰ আমানতৰ ধন বাজেয়াপ্ত,

০০০০০০০

সমাপ্ত